- আপত্তি দাখিলৰ ৩ দিনৰ ভিতৰতেই মেজিষ্ট্ৰেটে শুনানীৰ দিন ঠিক কৰিব লাগিব আৰু ৬০ দিনৰ ভিতৰত বিচাৰ/ফলাফল ওলাব লাগিব।
- এই আইন অনুসৰি সংৰক্ষণ অধিকাৰীসকলে ভুক্তভোগী লোকক সহায় কৰিব।
- মহিলাগৰাকীৰ ওপৰত যদি গুৰুতৰ হিংসাত্মক ঘটনা ঘটিছে, সংৰক্ষণ অধিকাৰীয়ে ঘটনা সম্পৰ্কত আৰক্ষীক খবৰ দিব।
- আইন অনুসৰি ভুক্তভোগী মহিলাগৰাকীয়ে পাব লগা আৰ্থিক সাহায্যৰ বিচাৰ সংৰক্ষণ অধিকাৰীয়ে কৰিব।

**ঘৰুৱা হিংসাৰ বলি হোৱা মহিলাই তলত দিয়া সুবিধাবোৰ পোৱাৰ অধিকাৰ আছে:**

- সুৰক্ষাৰ আদেশ লাভ কৰাৰ পাছত আৰক্ষীয়ে হিংসা কৰা ব্যক্তিৰ বিৰুদ্ধে বাধা প্ৰদান কৰিব পাৰে।
- গুৰুতৰ হিংসা কৰা ব্যক্তিক আৰক্ষীয়ে ঘৰৰ পৰা অহাত বাধা দিব পাৰে।
- আৰ্থিক হিংসাৰ সময়ত ভুক্তভোগী মহিলাই শাৰীৰিক, মানসিক আৰু সম্পত্তিৰ ক্ষেত্ৰত হোৱা লোকচান লাভ কৰিব পাৰে।
- জীৱন-যাপনৰ বাবে প্ৰতিমাহত হোৱা খৰচ দাবী কৰিব পাৰে।
- মহিলাগৰাকীক নিজৰ ঘৰতে থকাৰ অধিকাৰ আছে। যদি তেওঁ উক্ত ঘৰত থাকিব নিবিচাৰে, তেন্তে বেলেগে থকাৰ ব্যৱস্থা কৰাৰ অধিকাৰ আছে। ইয়াৰ ব্যৱস্থা স্বামীয়ে কৰি দিব লাগিব।
- ১৮ বছৰৰ তলৰ শিশুক নিজৰ সুৰক্ষাত ৰখাৰ আদেশ লাভ কৰিব পাৰে।
- মহিলা আশ্ৰম গৃহলৈ যাবলৈ আদেশ লাভ কৰিব পাৰে।
- ভুক্তভোগী মহিলা আৰু হিংসা কৰা ব্যক্তিক কাউন্সেলিঙৰ (বুজনি) প্ৰয়োজন হ'ব পাৰে।
- হিংসা কৰা ব্যক্তিক জেললৈও পঠাব পাৰি।
- আদালতৰ আদেশ পালন নকৰা ব্যক্তিৰ ১ বছৰৰ জেল আৰু ২০,০০০ টকা জৰিমনা দুয়োই হ'ব পাৰে।

### এক আবেদন

**এই আইনৰ বিষয়ে ভালদৰে বুজি লওক। এই আইনৰ সৱিশেষ কথা ঘৰৰ লোকসকল আৰু ওচৰ দুবুৰীয়াক জনাওক। আপোনাৰ এই কামটোৰ দ্বাৰা কোনো মহিলাৰ জীৱন ৰক্ষা পৰিব পাৰে।**


Government of India

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, ভাৰত চৰকাৰ
website :: www.srcguwahati.in


সাক্ষৰ ভাৰত

আইনী সাক্ষৰতা শৃংখলা - ৬

# গাৰ্হস্থ্য হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন ২০০৫



## গাৰ্হস্থ্য হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন ২০০৫

পৰিয়ালত মহিলাৰ বিৰুদ্ধে হোৱা হিংসা বন্ধ কৰিবলৈ ২০০৫ চনত ঘৰুৱা হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন প্ৰণয়ন কৰা হয়। এই আইন তলত দিয়া ধৰণৰ-

- ই এক দেৱানী আইন।
- পত্নী, ভনী, মা, জী, অকলশৰীয়া মহিলা আদি গাৰ্হস্থ্য হিংসাৰ কবলত পৰিলে এই আইনে সুৰক্ষা প্ৰদান কৰিব।

### এই আইনৰ মূল ব্যৱস্থাসমূহ:

- এই আইনৰ ধাৰা অনুসৰি পৰিয়ালৰ ভিতৰত মহিলাৰ প্ৰতি শাৰীৰিক, মানসিক, যৌন আৰু আৰ্থিক হিংসা কৰাটো অপৰাধ।
- এই আইন অনুসৰি যৌতুক বা সম্পত্তি বিচৰা অপৰাধ।
- এই আইন অনুসৰি ঘৰুৱা কামত বাধা প্ৰদান কৰা, শিশু তথা মহিলাক খৰচৰ বাবে ধন আদায় নিদিয়া, উপাৰ্জন তথা সম্পত্তি কাঢ়ি লোৱা আদি গাৰ্হস্থ্য হিংসা তথা অপৰাধ।
- এই আইনত আৰক্ষীৰ লোকৰ হস্তক্ষেপ দূৰত ৰখা হৈছে।
- ইয়াৰ অধীনত প্ৰতি জিলাত সংৰক্ষণ অধিকাৰী/সুৰক্ষা অধিকাৰী নিয়োগ কৰা হৈছে।
- কোনো কোনো ৰাজ্যত মহিলা আৰু শিশু বিকাশ কেন্দ্ৰৰ অধিকাৰীগৰাকীক সুৰক্ষা অধিকাৰী হিচাপে নিয়োগ কৰা হৈছে।
- কোনো মহিলা ঘৰুৱা হিংসাৰ বলি হ'লে তেওঁ সুৰক্ষা অধিকাৰীৰ ওচৰত আপত্তি দৰ্শাব পাৰে।

